**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2025

**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**------------------**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আঁচনি আনুষ্ঠানিকভাৱে মুকলি কৰে। আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে ৰাজ্যিক কৰ্মচাৰীসকলক নতুন স্বাস্থ্য বীমা আঁচনিখনৰ হেল্‌থ কাৰ্ডো বিতৰণ কৰে। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই একেটা অনুষ্ঠানতে আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ ডিজিটেল সংবাদপত্ৰখনো উন্মোচন কৰে। অনুষ্ঠানটোত মুখ্য সচিবকে ধৰি অসম চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু বিভিন্ন চিকিৎসালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। একেদৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লোকসেৱা ভৱনত অনুষ্ঠিত আন এখন বৈঠকত অধ্যক্ষতা কৰি শিক্ষা, স্বাস্থ্য, আৰক্ষী, অসম লোকসেৱা আয়োগকে ধৰি বিভিন্ন বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডৰ জৰিয়তে প্ৰায় ২৫ হাজাৰ নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰাৰ সন্দৰ্ভতো আলোচনা কৰে। নৱেম্বৰৰ শেষৰ ফালে আৰু ডিচেম্বৰৰ প্ৰথম সপ্তাহত নিযুক্তি পত্ৰ বিতৰণ কাৰ্যসূচী সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে। ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণ আঁচনিৰ প্ৰস্তুতি সন্দৰ্ভতো আজি আন এখন বৈঠকত পৰ্যালোচনা কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উদ্দেশি ভাষণ দিব। ড° শৰ্মাই পৰহিলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০০

ৰাষ্ট্ৰীয় বিদ্যালয় সুৰক্ষা নীতি, ২০১৬ৰ অংশ হিচাপে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত ৰাজ্যৰ ৩৫ খন জিলাৰ এহেজাৰ ৯৩৬ খন বিদ্যালয়ত ভূমিকম্প আৰু অগ্নি সুৰক্ষা বিষয়ক মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। **গোলাঘাট** জিলাৰ ৮৭ খন বিদ্যালয়ত এই কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰা হয়। জিলাখনৰ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অতিৰিক্ত জিলা আয়ুক্তই উদ্বোধন কৰা এই কাৰ্যসূচীত ৰাজহ চক্ৰ বিষয়া, জিলা প্ৰকল্প বিষয়া, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ক্ষেত্ৰ বিষয়া, অগ্নি নিৰ্বাপক আৰু জৰুৰী সেৱা বিভাগৰ কৰ্মচাৰী তথা স্কাউট আৰু গাইডৰ সদস্যসকলে অংশগ্ৰহণ কৰে। **পশ্চিম কাৰ্বি আংলং** জিলাৰ ১৫৪ খন বিদ্যালয়ত এই প্ৰস্তুতিমূলক অনুশীলন অনুষ্ঠিত হয়। **বিশ্বনাথ জিলাৰো** ৩৫ খন বিদ্যালয়ত ভূমিকম্পকে ধৰি আন দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-

শিক্ষয়িত্ৰীসকলক অনুশীলন কৰোৱা হয়। **তিনিচুকীয়া** জিলাৰ বিভিন্ন বিদ্যালয়তো দিনজোৰা কাৰ্যসূচীৰে দুৰ্যোগৰ সময়ত আৰু ইয়াৰ পাছত ল'বলগীয়া সাৱধানতা বিষয়ক মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চলত অহা ২ নৱেম্বৰৰ পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰী কৰিব পাৰিব। ইয়াৰ বাবে বনাঞ্চলখনৰ মূল প্ৰৱেশদ্বাৰ ৰং-তুলিকাৰে সজাই তোলা হৈছে। আৰ্ট ফৰ নেচাৰ নামৰ এটা সংস্থাৰ শিল্পীসকলে উদ্যানখনৰ প্ৰতিটো বন্য জীৱ-জন্তুৰ ছবিৰে প্ৰৱেশদ্বাৰখন সজাই তুলিছে। চালে চকুৰোৱা এই ছবিসমূহে পৰ্যটকসকলক আকৰ্ষণ কৰিব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। সন্ধিয়া বিভিন্ন অঞ্চলত স্থানীয় বয়োজ্যেষ্ঠ, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

মাজুলীৰ বিভিন্ন স্থানত ৰাস পূৰ্ণিমাৰ দিনাৰ পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। আউনীআটি সত্ৰত অহা ৬ নৱেম্বৰত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। যোৰহাট জিলাৰ ঢেকিয়াজুলি, বামুনপুখুৰী, শিৱসাগৰ জিলাৰ হাফলুটিং, খনামুখ আদি অঞ্চলত ৰাসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

০০০০০

তিনিচুকীয়া জিলাৰ মায়ামৰা শ্ৰী শ্ৰী টিপুক শিমলুগুৰি বজ্ৰপুৰ সত্ৰৰ সত্ৰাধিকাৰ গুৰু নৰসিংহ ভূজৰ আজি বিয়লি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ। সত্ৰাধিকাৰগৰাকীৰ বিয়োগত মন্ত্ৰী তথা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত